# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনত তৃতীয়বাৰৰ বাবে এন ডি এৰ চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছে।

২। গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা **সোমনাথ অমৃত পৰ্বত** আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব।

৩। নবীকৰণযোগ্য শক্তি ক্ষমতাৰ দিশৰ পৰা ভাৰতে বিশ্বৰ তৃতীয় স্থান দখল কৰিছে।

৪। পশ্চিম এছিয়াৰ দীৰ্ঘদিনীয়া সংঘাতৰ অন্ত পেলাবলৈ চলোৱা শান্তি প্ৰক্ৰিয়াৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ শেহতীয়া প্ৰস্তাৱক অগ্ৰাহ্য কৰিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে, মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে।

ooooo

অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনত তৃতীয়বাৰৰ বাবে এন ডি এ শাসনৰ সূচনা কৰি নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছে। বিজেপি নেতৃত্বাধীন এন ডি এৰ বিধায়িনী দলে সৰ্বসন্মতি ক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মাক নেতা হিচাপে বাচনি কৰাৰ পাছত তেওঁ কালি মিত্ৰজোঁটৰ নেতাসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ ওচৰত আনুষ্ঠানিকভাৱে চৰকাৰ গঠনৰ দাবী জনায়। ড° শৰ্মাই লোকভৱনত ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি নৱনিৰ্বাচিত ১০২ গৰাকী বিধায়কৰ স্বাক্ষৰ সম্বলিত প্ৰস্তাৱ দাখিল কৰে। ড° শৰ্মাৰ সৈতে কেন্দ্ৰীয় পৰ্যবেক্ষক জে পি নাড্ডা আৰু নায়াব সিং চাইনীও উপস্থিত থাকে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীনাড্ডাই কয়, যে নিৰ্বাচনৰ ফলাফলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উন্নয়নমূলক নীতিৰ প্ৰতি জনসাধাৰণৰ সমৰ্থনকে প্ৰতিফলিত কৰিলে। তেওঁ লগতে অসমত কেন্দ্ৰৰ জনকল্যাণমূলক আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰাৰ বাবে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰশংসা কৰে।

ৰাজ্যখনত নতুন মন্ত্ৰীসভাই কাইলৈ শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ড° হিমন্ত বিশ্ব শৰ্মা আৰু নতুন মন্ত্ৰী পৰিষদৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱাব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি

হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ শেহতীয়া বিধানসভা নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটে **১২৬** খন আসনৰ ভিতৰত **১০২** খন আসনতে জয়লাভ কৰে। ইয়াৰ ভিতৰত বিজেপিয়ে ৮২ খন আসন লাভ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু বি পি এফে ১০ খনকৈ আসন লাভ কৰে। ২০১৬ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধীনত বিজেপি চৰকাৰ প্ৰথমবাৰৰ বাবে শাসনলৈ অহাৰ পাছত অসমত এইবাৰ তৃতীয়বাৰৰ বাবে এন ডি এই পুনৰ চৰকাৰ গঠন কৰিব। ইপিনে, ২০২১ চনত মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা ড° হিমন্ত বিশ্ব শৰ্মা হ'ব দ্বিতীয়বাৰৰ বাবে একেৰাহে মুখ্যমন্ত্ৰী হোৱা প্ৰথমগৰাকী অ-কংগ্ৰেছী নেতা।

ooooo

গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা **সোমনাথ অমৃত পৰ্ব ২০২৬** শীৰ্ষক অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰভু সোমনাথক পূজা-অৰ্চনা কৰাৰ লগতে ধৰ্মীয় ৰীতি-নীতিৰে কুম্ভঅভিষেক কৰিব। ইয়াৰ পাছত তেওঁ এখন ৰাজহুৱা সভাত ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ আগমণৰ পৰিপ্ৰেক্ষিতত এটা ৰোড শ্ব'ৰো আয়োজন কৰা হৈছে। এই ৰোড শ্ব'ত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটিল আৰু উপ মুখ্যমন্ত্ৰী হৰ্ষ সাংভীয়ে অংশ ল'ব।

উল্লেখযোগ্য যে, যোৱা শুকুৰবাৰৰ পৰা অনুষ্ঠিত সোমনাথ অমৃতপৰ্ব কাৰ্যসূচীত সোমনাথ মন্দিৰৰ ঐতিহাসিক গুৰুত্বৰ প্ৰতি আলোকপাত কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ভাৰতীয় বায়ুসেনাৰ **সূৰ্য কিৰণ এৰোবেটিক দলে** এয়াৰ শ্ব' প্ৰদৰ্শন কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পাছত বডোদৰালৈ যাব আৰু তাত তেওঁ এহেজাৰ ল'ৰা আৰু এহেজাৰ ছোৱালী থাকিব পৰা চৰ্দাৰধাম হোষ্টেল উদ্বোধন কৰিব।

ooooo

নবীকৰণযোগ্য শক্তিৰ সংস্থাপিত ক্ষমতাৰ দিশৰ পৰা ভাৰতে বিশ্বৰ তৃতীয় স্থান দখল কৰিছে। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ শেহতীয়া তথ্য অনুসৰি - দেশৰ মুঠ শক্তি উৎপাদনৰ ৫০ শতাংশতকৈ অধিক বৰ্তমান অ-জীৱাশ্ম ইন্ধনৰ পৰা সংগৃহীত আৰু ইয়াৰ পৰিমাণ ২৬২.৭ গিগাৱাট।

তথ্য অনুসৰি, সৌৰ মডিউলৰ উৎপাদন ক্ষমতা বিগত বৰ্ষৰ ৩৮ গিগাৱটৰ পৰা ৭৪ গিগাৱটলৈ বৃদ্ধি পাইছে। একেদৰে, ছ'লাৰ চেলৰ উৎপাদন ক্ষমতাও ৯ গিগাৱটৰ পৰা ২৫ গিগাৱটলৈ বৃদ্ধি পাইছে। অৱশ্যে এই খণ্ডত স্বনিৰ্ভৰশীলতা অৰ্জনৰ বাবে পলিচিলিকন আৰু ৱাফাৰৰ দৰে জটিল যন্ত্ৰাংশৰ থলুৱা উৎপাদনত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে বুলি মৰগান ষ্টেনলীৰ শেহতীয়া প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

শক্তি খণ্ডত বহিঃৰাষ্ট্ৰৰ নিৰ্ভৰশীলতা হ্ৰাস কৰাই এতিয়া ভাৰতৰ মূল লক্ষ্য হিচাপে পৰিগণিত হৈছে বুলিও এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হায়দৰাবাদত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক তেওঁলোকৰ হায়দৰাবাদস্থিত বাসগৃহত সাক্ষাৎ কৰে।

এই সৌহাৰ্দ্যপূৰ্ণ সাক্ষাতৰ কালত দুয়োগৰাকী নেতাই বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়কলৈ মত বিনিময়ো কৰে।

সামাজিক মাধ্যম 'X'যোগে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এই সাক্ষাতক অতি উষ্ম বুলি অভিহিত কৰাৰ লগতে বিবিধ বিষয়ক লৈ বিশদ আলোচনা হোৱাৰ কথাও উল্লেখ কৰে।

ooooo

পশ্চিম এছিয়াত চলি থকা দীৰ্ঘদিনীয়া সংঘাতৰ অন্ত পেলাবলৈ চলোৱা শান্তি প্ৰক্ৰিয়াৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ শেহতীয়া প্ৰস্তাৱক সম্পূৰ্ণ অগ্ৰাহ্য কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে সামাজিক মাধ্যমত উল্লেখ কৰা মতে, ইৰানৰ প্ৰতিনিধিয়ে প্ৰেৰণ কৰা এই সঁহাৰি কোনো কাৰণতে গ্ৰহণযোগ্য নহয়।

উল্লেখ্য যে, ইৰানে পাকিস্তানৰ মধ্যস্থতাত আমেৰিকাৰ শান্তি প্ৰস্তাৱৰ উত্তৰ প্ৰেৰণ কৰিছিল। ইৰানৰ সংবাদ সংস্থা ISNAই প্ৰকাশ কৰা অনুসৰি - তেহৰানে তেওঁলোকৰ প্ৰস্তাৱত মূলতঃ সামৰিক সংঘাতৰ অন্ত পেলোৱা আৰু বিশ্বৰ তেল সৰবৰাহৰ অন্যতম কেন্দ্ৰ হৰমুজ প্ৰণালীত সামুদ্ৰিক নিৰাপত্তা নিশ্চিত কৰাৰ দিশটোত গুৰুত্ব দিছে। ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশ্বকীয়ানে স্পষ্ট কৰিছে যে : পশ্চিমীয়া দেশৰ সৈতে আলোচনাত বহাৰ অৰ্থ এইটো নহয় যে তেওঁলোকে আত্মসমৰ্পণ কৰিছে।

ইপিনে, ইৰানৰ এই সঁহাৰি লাভ কৰাৰ পাছতে কালি নিশা ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে টেলিফোনিক বাৰ্তালাপত মিলিত হয়। এই আলোচনা কালত দুয়োগৰাকী নেতাই আঞ্চলিক নিৰাপত্তা আৰু ইৰানৰ ইউৰেনিয়াম ভাণ্ডাৰ ধ্বংস কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সহমত পোষণ কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পে দাবী কৰিছে যে ইৰান বৰ্তমান সামৰিকভাৱে যথেষ্ট দুৰ্বল হৈ পৰিছে আৰু তেওঁলোকৰ প্ৰতিৰক্ষা ব্যৱস্থা প্ৰায় বিধ্বস্ত হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে সতৰ্ক কৰি দিয়ে যে যদিহে ইৰানে ইউৰেনিয়াম সমৃদ্ধকৰণৰ স্থানসমূহক লৈ ভাবুকিৰ সৃষ্টি কৰে, তেন্তে আমেৰিকাই তাৎক্ষণিক সামৰিক ব্যৱস্থা গ্ৰহণ কৰিব।

যোৱা ফেব্ৰুৱাৰী মাহত আমেৰিকা আৰু ইজৰাইলৰ আক্ৰমণৰ পাছত যোৱা মাহৰ ৮ তাৰিখৰ পৰা অঞ্চলটোত যুদ্ধবিৰতি চলি আছে যদিও উত্তেজনাও অব্যাহত আছে। হৰমুজ প্ৰণালীত

ইৰানৰ বাধাৰ বাবে বিশ্বজুৰি তেলৰ মূল্য বৃদ্ধি পাইছে। আনহাতে, ব্ৰিটেইন আৰু ফ্ৰান্সে হৰমুজ প্ৰণালীত যুদ্ধজাহাজ মোতায়েনৰ বাবে কৰা পৰিকল্পনাৰো ইৰানে তীব্ৰ বিৰোধিতা কৰিছে। ইয়াৰ মাজতে, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ' আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰে এই কৌশলগত জলপথছোৱাত জাহাজ চলাচল মুক্ত কৰিবলৈ পাৰমাণৱিক শক্তিচালিত বিমানবাহী জাহাজ 'চাৰ্লছ ডি গল' সেই অঞ্চললৈ প্ৰেৰণ কৰাৰ কথা নিশ্চিত কৰিছে।

০০০০০

পশ্চিমবংগৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে আজি এখন গুৰুত্বপূৰ্ণ কেবিনেট বৈঠকত অধ্যক্ষতা কৰিব। যোৱা শনিবাৰে ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে শপত গ্ৰহণ কৰা আন পাঁচগৰাকী মন্ত্ৰীৰ মাজত আজি দপ্তৰসমূহ আবণ্টন দিয়াৰ পূৰ্ণ সম্ভাৱনা আছে।

আজিৰ এই প্ৰথমখন কেবিনেট বৈঠকত বিজেপিয়ে নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতিসমূহৰ ৰূপায়ণ সন্দৰ্ভত বিতং আলোচনা কৰা হ'ব। বিশেষকৈ আয়ুষ্মান ভাৰত আঁচনিৰ প্ৰয়োগ, অন্নপূৰ্ণা ভাণ্ডাৰ আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে সপ্তম দৰমহা আয়োগৰ কাৰ্যকৰীকৰণ আদি বিষয়সমূহে অগ্ৰাধিকাৰ লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

প্ৰশাসনিক কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীগৰাকীয়ে জিলা দণ্ডাধীশ, আৰক্ষী অধীক্ষক আৰু বিভিন্ন বিভাগৰ সচিবসকলৰ সৈতে আইন-শৃংখলাজনিত পৰিস্থিতিৰ পৰ্যালোচনা কৰিব। এই বৈঠকত নৱনিৰ্বাচিত বিধায়কসকলো উপস্থিত থকাৰ কথা। আজি দিনৰ প্ৰায় **১১** বজাত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীক 'গাৰ্ড অৱ অনাৰ' প্ৰদান কৰাৰ পাছতেই কেবিনেট বৈঠকখন আৰম্ভ হ'ব।

আনহাতে, অষ্টাদশ পশ্চিম বংগ বিধানসভাৰ নৱনিৰ্বাচিত সদস্যসকলে এই সপ্তাহৰ বুধ, বৃহস্পতি আৰু শুকুৰবাৰে শপত গ্ৰহণ কৰিব। জ্যেষ্ঠ বিজেপি নেতা তাপস ৰায়ে এই সময়ছোৱাত সাময়িক অধ্যক্ষ বা 'প্ৰটেম স্পীকাৰ'ৰূপে দায়িত্ব পালন কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে, মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৱে ১৬৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ৰুনাল পাণ্ডিয়াই  সৰ্বাধিক ৭৩ ৰান কৰে। মুম্বাইৰ কৰবিন বছে চাৰিটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ তিলক বাৰ্মাই সৰ্বাধিক ৫৭ ৰান কৰে। বেংগালুৰুৰ ভূৱনেশ্বৰ কুমাৰে চাৰিটা উইকেট দখল কৰে। ভূৱনেশ্বৰ কুমাৰক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কালি অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি জ'চ ইংলিচৰ ৮৫ ৰানৰ সহায়ত নিৰ্ধাৰিত অভাৰত ৮টা

উইকেট হেৰুৱাই ২০৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ১৯ অভাৰ দুটা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ উৰ্ৱিল পেটেলে ৬৫ ৰান কৰে।

প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ্‌ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰ ৭ বজাত আৰম্ভ হ'ব।

০০০০

**সমাপ্ত**